জীৱনশৈলী

দীপাৱলীত পাঁচ ৰাশিৰ বাবে শুভ সময়ৰ সম্ভাৱনা: জ্যোতিষীয় গণনা

জ্যোতিষীয় গণনা অনুসৰি ২০২৬ চনৰ দীপাৱলীত বৃষ, কৰ্কট, সিংহ, তুলা আৰু বৃশ্চিক ৰাশিৰ জাতক-জাতিকাৰ আৰ্থিক লাভৰ সম্ভাৱনা আছে।

প্ৰকাশ: ৭ নৱেম্বৰ ২০২৬, নিশা ৭:৩৪



(Social media)

গুৱাহাটী, ৭ নৱেম্বৰ: অহা ৮ নৱেম্বৰত উদযাপন কৰা হ'ব দীপাৱলী। জ্যোতিষীয় গণনা অনুসৰি, এইবাৰৰ লক্ষ্মী পূজাই পাঁচটা ৰাশিৰ জাতক-জাতিকাৰ বাবে শুভ ফল কঢ়িয়াই আনিব পাৰে।

এই গণনা অনুসৰি বৃষ, কৰ্কট, সিংহ, তুলা আৰু বৃশ্চিক ৰাশিৰ লোকসকলৰ আৰ্থিক অৱস্থাৰ উন্নতি, কৰ্মক্ষেত্ৰত অগ্ৰগতি আৰু ব্যৱসায়ত লাভৰ সম্ভাৱনা আছে।

বৃষ আৰু কৰ্কট ৰাশি

বৃষ ৰাশিৰ জাতক-জাতিকাৰ দীৰ্ঘদিনীয়া আৰ্থিক সমস্যাৰ কিছু সমাধানৰ পথ মুকলি হোৱাৰ সম্ভাৱনা আছে। উপাৰ্জন বৃদ্ধিৰ নতুন সুযোগ লাভ কৰিব পাৰে। চাকৰিয়ালসকলে কৰ্মক্ষেত্ৰত নিজৰ কামৰ বাবে প্ৰশংসা লাভ কৰাৰ লগতে ব্যৱসায়ীসকলৰ লাভৰ সম্ভাৱনা আছে।

কর্কট ৰাশিৰ লোকসকলৰ আর্থিক বিষয়ত কিছু সকাহ লাভ কৰাৰ লগতে বহুদিন ধৰি আধৰুৱা হৈ থকা কাম সম্পূর্ণ হোৱাৰ যোগ আছে। চাকৰিৰ ক্ষেত্রত নতুন দায়িত্ব লাভ কৰাৰ লগতে ব্যৱসায়ত লাভজনক সুযোগ আহিব পাৰে।

সিংহ, তুলা আৰু বৃশ্চিক ৰাশি

সিংহ ৰাশিৰ জাতক-জাতিকাৰ কর্মজীৱনত উন্নতিৰ নতুন সুযোগ লাভ কৰাৰ সম্ভাৱনা আছে। চাকৰিত পদমর্যাদা আৰু সন্মান বৃদ্ধি পাব পাৰে। ব্যৱসায়ীসকলে নতুন চুক্তি লাভ কৰাৰ লগতে আর্থিক অৱস্থাৰ উন্নতি হোৱাৰ যোগ আছে।

তুলা ৰাশিৰ লোকসকলৰ বাবে আর্থিক লাভ আৰু বহুদিন ধৰি আবদ্ধ হৈ থকা ধন ঘূৰাই পোৱাৰ যোগ আছে। চাকৰিৰ ক্ষেত্রত উন্নতিৰ সুযোগ আহিব পাৰে। ব্যৱসায়ত নতুন পৰিকল্পনা সফল হোৱাৰ সম্ভাৱনাৰ লগতে দাম্পত্য জীৱনতো সুখ-শান্তি বর্তি থাকিব পাৰে।

বৃশ্চিক ৰাশিৰ জাতক-জাতিকাই কর্মক্ষেত্রত পৰিশ্রমৰ স্বীকৃতি লাভ কৰাৰ সম্ভাৱনা আছে। চাকৰি সলনি কৰাৰ কথা ভাবি থকা লোকসকলে ভাল খবৰ লাভ কৰিব পাৰে। ব্যৱসায়ত লাভ বৃদ্ধি আৰু পৰিয়ালৰ সৈতে সুখৰ সময় কটোৱাৰ যোগ আছে।

৮ নৱেম্বৰ, দেওবাৰে উদযাপন কৰা হ'ব দীপাৱলী। প্রকাশিত পঞ্জিকা অনুসৰি, এইদিনা লক্ষ্মী পূজাৰ শুভ সময় সন্ধিয়া ৫:৫৪ বজাৰ পৰা নিশা ৭:৫০ বজালৈ।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/1098/diwali-2026-five-zodiac-signs